মহান আল্লাহে মোৰ উম্মতৰ সেইসমূহ বিষয় ক্ষমা কৰি দিছে, যিবোৰ তেওঁলোকৰ অন্তৰত উদয় হয়, যেতিয়ালৈকে সেইটো কাৰ্যত পৰিণত নহয় অথবা মুখেৰে প্ৰকাশ নকৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে মোৰ উম্মতৰ সেইসমূহ বিষয় ক্ষমা কৰি দিছে, যিবোৰ তেওঁলোকৰ অন্তৰত উদয় হয়, যেতিয়ালৈকে সেইটো কাৰ্যত পৰিণত নহয় অথবা মুখেৰে প্ৰকাশ নকৰে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মুছলিম ব্যক্তিৰ অন্তৰত এনেকুৱা কোনো কথা উদয় হ'লে যিটো কৰিলে পাপ হয়, সেইটো নকৰালৈকে তথা মুখেৰে উচ্চাৰণ নকৰালৈকে সেইটোক পাপ হিচাপে গণ্য কৰা নহয়। তেনেকুৱা বিষয়ক আল্লাহে ক্ষমা কৰি দিছে। উম্মতে মুহাম্মদীৰ অন্তৰত উদয় হোৱা তথা মনত কল্পনা কৰা বিষয়ক ক্ষমা কৰিছে, যেতিয়ালৈকে সেই বিষয়ে দৃঢ় সংকল্প নলয়, যদি আন্তৰিকভাৱে দৃঢ় সংকল্প লয় বা অন্তৰত দৃঢ় হৈ যায়, যেনে-অহংকাৰ কৰা, গৌৰৱ কৰা, নিফাক পোষণ কৰা, অথবা যেতিয়ালৈকে অন্তৰত উদয় হোৱা বিষয়টো আমলত পৰিণত নকৰে বা মুখেৰে উচ্চাৰণ নকৰে, যদি তেনেকুৱা কৰে তেন্তে সেই বিষয়ে জবাবদিহি কৰা হ'ব।

http://www.sunnah.global/hadeeth/as/show/58144